
অধ্যায় ৪

# সামাজিক ন্যায় (Social Justice)




প্ৰেমে কি বুজায় যদিও আমি সহজে বুজি পাওঁ, তথাপি ইয়াৰ আঁৰত থকা সকলো অৰ্থ আমি ব্যাখ্যা কৰিব নোৱাৰো। সেইদৰে ন্যায়ৰ ওপৰত আমাৰ এক সম্যক ধাৰণা আছে যদিও আমি ইয়াৰ সঠিক অৰ্থ বিশ্লেষণ কৰাত অপাৰগ। এইফালৰ পৰা ন্যায় আৰু প্ৰেমৰ মাজত এটা মিল থকা দেখা যায়। প্ৰেম আৰু ন্যায় উভয়ে ইয়াৰ সমৰ্থকসকলৰ ওচৰত এক ভাবুকপূৰ্ণ অৰ্থ দাঙি ধৰে। প্ৰেমৰ দৰে ন্যায়কো কোনেও ঘৃণা কৰিব নোৱাৰে। প্ৰত্যেকেই কম-বেছি পৰিমাণে নিজৰ বা আনৰ বাবে ন্যায় কামনা কৰে। কিন্তু ন্যায় প্ৰেমৰ দৰে নহয়, প্ৰেম আজি চিনি পোৱা, কিছুমান লোকৰ সম্বন্ধৰ মাজতেই আবদ্ধ, কিন্তু ন্যায়ে আমাৰ সামাজিক জীৱনৰ সকলো স্তৰকে সাঙুৰি লয়, যি এখন সমাজৰ ৰাজহুৱা জীৱন কেনেদৰে চলিব লাগে আৰু কেনেকৈ সামাজিক আদৰ্শ, মূল্যবোধ আৰু সামাজিক কৰ্তব্য বিভিন্ন লোকৰ মাজত কেনেদৰে বিতৰণ হ'ব লাগে আদি দিশ আলোচনা কৰে। সেই কাৰণে ক'ব পাৰি যে ন্যায় হ'ল ৰাজনীতিৰ কেন্দ্ৰীয় বিষয়বস্তু।

এই অধ্যায়টো পঢ়াৰ পিছত তোমালোকে জানিব পাৰিবা—

- বিভিন্ন সমাজত বিভিন্ন সময়ত প্ৰচলিত হৈ অহা ন্যায়ৰ কিছুমান নীতি চিনাক্ত কৰা।

- বিতৰণাত্মক ন্যায় বুলিলে কি বুজায়, তাক বাখ্যা কৰা।
- জন ৰাউলছৰ নিৰপেক্ষ আৰু ন্যায়সংগত সমাজৰ সকলো সদস্যৰ হিতৰ বাবে থকা ন্যায়ৰ তত্ত্বসমূহ তাত্ত্বিক আধাৰত বিশ্লেষণ কৰা।

## ৪.১ ন্যায় কি? (What is Justice)

সকলো সমাজ আৰু সংস্কৃতি ন্যায়ৰ প্ৰশ্নৰ লগত বুজিব লগা হৈছে, যদিওবা তেওঁলোকে ন্যায়ক ভিন্ন ধৰণে ব্যাখ্যা কৰি আহিছে। উদাহৰণস্বৰূপে, প্ৰাচীন ভাৰতীয় সমাজত ন্যায়ক ধৰ্মৰ লগত জড়িত আছিল আৰু ধৰ্ম বৰ্তাই ৰখা অথবা মাত্ৰ সামাজিক আদেশ হিচাপে বৰ্তাই ৰখাই আছিল ৰজাৰ প্ৰাথমিক কৰ্তব্য। চীন দেশৰ বিখ্যাত দাৰ্শনিক কনফুচিয়াছৰ মতে ৰজাই ন্যায় বৰ্তাই ৰাখিবৰ বাবে দোষীসকলক শাস্তি আৰু জ্ঞানী বা ভাল লোকসকলক পুৰস্কৃত কৰিব লাগে। খ্ৰীঃ পূঃ চাৰি শতিকাত বিখ্যাত গ্ৰীক দাৰ্শনিক প্লেটোৱে তেওঁৰ 'দি ৰিপাব্লিক' নামৰ গ্ৰন্থখনত ন্যায়ৰ বিভিন্ন বিষয়ত আলোচনা কৰিছে। চক্ৰেটিছ আৰু তেওঁৰ ডেকা বন্ধু গ্লোকন আৰু এডিমাণ্টাছৰ লগত এক দীঘলীয়া আলোচনা কৰাৰ পিছত প্লেটো এটা সিদ্ধান্তত উপনীত হৈছিল যে আমাক ন্যায় কিয় লাগে? সেই ডেকা লোকসকলে চক্ৰেটিছক সুধিছিল— আমি ন্যায় -পৰায়ণ কিয় হ'ব লাগে? তেওঁলোকে দেখিছিল যে যিসকল অন্যায়ী, তেওঁলোক ন্যায়ীকসকলতকৈ অধিক ভালে থাকে। যিসকল লোকে নিজ স্বাৰ্থ পূৰণৰ বাবে অন্যায়ৰ সহায় লয়, চৰকাৰক কৰ দিয়াৰ পৰা বিৰত থাকে, মিছাৰ আশ্ৰয় লয় আৰু প্ৰৱঞ্চক, তেওঁলোক প্ৰায়েই ন্যায় আৰু সত্যত থকা সকলতকৈ অধিক সফল। যদি কোনোৱে ধৰি ৰখাটো পৰিহাৰ কৰাত তীব্ৰ হয়, তেতিয়াহ'লে দেখিবলৈ পোৱা যাব যে ন্যায়ীসকলতকৈ অন্যায়ীসকল বেছি ভাল। তোমালোকে আজিও এনে মত পোষণ কৰা শুনা পাইছা চাগৈ।

> তেওঁলোকে কয় যে অন্যায় কৰা স্বাভাৱিক ৰূপত ভাল। কিন্তু শত্ৰুতা পোষণ কৰা নহয়। সেই কাৰণে এজন লোকে যেতিয়া অন্যায় আৰু শত্ৰুতা দুয়োকে কৰি লাভৱান নহয়, তেতিয়া ভাবে যে এনে কৰাতকৈ বুজাবুজি কৰাই ভাল। ইয়াতেই আইন আৰু পৰস্পৰিক বুজা-বুজি ৰক্ষাৰ ভাব জন্ম হয়। আৰু যি কাম আইনৰ ভিতৰত থাকি কৰা হয়, তাকেই আইনসন্মত আৰু ন্যায়িক বোলা হয়।
> (গ্লোকনৰ পৰা চক্ৰেটিছলৈ, দি ৰিপাব্লিক)

চক্রেটিছে তেওঁলোকক সোঁৱৰাই দিলে যে যিসকল লোকে নিজ স্বাৰ্থ সিদ্ধিৰ বাবে অন্যায়ৰ আশ্ৰয় লয়, আইন ভংগ কৰে তেওঁলোকৰ কোনেও অন্যায়ৰ পৰা হিতসাধন হ'ব বুলি ক'ব নোৱাৰে। ইয়াৰ পৰা কোনোৱেই নিৰাপদ নহয়। বৰঞ্চ ই সকলোৰে অন্যায়হে কৰিব। সেই কাৰণে এইটো আমাৰ এটা দীৰ্ঘকালীন নীতি যে আইন মানি চলা আৰু ন্যায়পৰায়ণ হোৱা উচিত। তেওঁ ন্যায়ৰ অৰ্থ বুজি পোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল; যাতে ন্যায়ৰ প্ৰকৃত অৰ্থ বুজি ভাবি চাব পাৰো যে ন্যায়গত হ'লে আমাৰ লাভ কি হ'ব। তেওঁ ব্যাখ্যা কৰিছিল যে ন্যায়ৰ অৰ্থ কেৱল এইটো নহয় যে আমি আমাৰ মিত্ৰসকলৰ লাভ আৰু শত্ৰুসকলৰ লোকচান কৰা বুজায় নাইবা ই কেৱল আমাৰ নিজৰ স্বাৰ্থৰ বাবে চিন্তা কৰাকে নুবুজায়। ন্যায়ত সমাজৰ সকলো লোকৰ হিত নিহিত হৈ থাকে। যেনেকৈ এজন চিকিৎসকে তেওঁৰ সকলো বেমাৰীৰ প্ৰতি যত্ন লয়, ঠিক তেনেদৰে এজন ন্যায়সংগত শাসক বা চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ স্বাৰ্থৰ বাবে বা তেওঁলোকৰ হিতৰ বাবে চিন্তা কৰিব লাগে। সকলো লোকৰ হিত সাধনতেই ব্যক্তিবিশেষৰ স্বাৰ্থ নিহিত হৈ থাকে।

এইটো ধাৰণা যে ন্যায়তেই সকলো ব্যক্তিৰ নিজা অংশ নিহিত হৈ থাকে আৰু আজিও ন্যায় আমাৰ সমাজৰ বাবে এক মহত্ত্বপূৰ্ণ অংগ হিচাপে পৰিগণিত হৈছে। যি কি নহওক, ব্যক্তিৰ প্ৰয়োজনবোধ প্লেটোৰ সময়ৰ প্ৰয়োজনতকৈ বৰ্তমান পৃথক। বৰ্তমান আমি ন্যায় বুলিলে এজন লোকে নিজৰ প্ৰাপ্য এজন মানুহ হিচাপে পোৱাটোকে বুজো।

জাৰ্মান দাৰ্শনিক ইমানুৱেল **কাণ্টৰ** মতে সকলো মানুহেই মৰ্যাদাপ্ৰাপ্ত। যদি সকলো লোকৰ ব্যক্তিত্ব স্বীকৃত হয়, তেতিয়া তেওঁলোকৰ সৰ্বাংগীণ উন্নতি সাধন আৰু নিজ লক্ষ্যত উপনীত হোৱাৰ বাবে সুবিধা প্ৰদান কৰিব লাগে। ন্যায়ে সকলো লোককে নিজ প্ৰাপ্য আৰু সমান গুৰুত্ব প্ৰদান কৰাটোকে বুজায়।

### সমান লোকৰ প্ৰতি সমান ব্যৱহাৰ (Equal Treatment for Equals)

বৰ্তমান সমাজত প্ৰচলিত এটা বহল ধাৰণা হ'ল সকলো লোকৰ প্ৰতি সমান ব্যৱহাৰ বা সমতা। সকলো লোককে নিজ প্ৰাপ্য সমভাৱে আদায় দিয়াটো ইমান সহজ

নহয়। ইয়াৰ ওপৰত বিভিন্ন নীতি আলোচিত হোৱা দেখা যায় ইয়াৰে এটা নীতি হ'ল সকলো লোকক সমান ব্যৱহাৰ কৰাটো। ই বিশ্বাস কৰে যে সকলো লোকৰে নিজা কিছুমান ব্যক্তিগত বৈশিষ্ট্য থাকে। সেই কাৰণে তেওঁলোকে সম-অধিকাৰ আৰু সম-ব্যৱহাৰ পোৱাৰ যোগ্য। বৰ্তমান সমাজত প্ৰচলিত কিছুমান গুৰুত্বপূৰ্ণ অধিকাৰ, যিবোৰক বৰ্তমানৰ প্ৰায়বোৰ উদাৰনৈতিক গণতান্ত্ৰিক ৰাষ্ট্ৰই নাগৰিকৰ বাবে প্ৰযোজ্য কৰিছে, তাৰ ভিতৰত নাগৰিক অধিকাৰ, যেনে— জীয়াই থকাৰ অধিকাৰ, স্বাধীনতা আৰু সম্পত্তিৰ অধিকাৰ, ৰাজনৈতিক অধিকাৰ যেনে, ভোটদানৰ অধিকাৰ, যি নাগৰিকক ৰাজনৈতিক কাৰ্যৱলীত অংশগ্ৰহণ কৰাত সহায় কৰে আৰু কিছুমান সামাজিক অধিকাৰ যিবোৰৰ জৰিয়তে সমাজৰ আন লোকৰ সৈতে তেওঁলোকেও সমান সা-সুবিধা ভোগ কৰিব পাৰে।

সম-অধিকাৰৰ বাহিৰেও, সমলোকক সম-ব্যৱহাৰ কৰা যি নীতি, সি বিচাৰে যে কোনো লোকক যাতে জাতি, শ্ৰেণী, বৰ্ণ বা লিংগ আদিৰ ভিত্তিত বৈষম্যমূলক আচৰণ কৰা নহয়। তেওঁলোকক কেৱল নিজৰ কাম কৰা দক্ষতাৰ ওপৰত বিচাৰ কৰিব লাগে তেওঁলোক কোন গোটৰ তাৰ ওপৰত নহয়। সেয়ে দুটা ভিন্ন জাতিৰ দুজন লোকে যদি একেটা কাম কৰে কামটো লাগে শিল ভঙা বা বস্তু বেচাই হওক দুইজনে সমান মাননি পোৱাটো বাঞ্জনীয়। যদি কোনো এজন লোকে এটা কামৰ বাবে এশ টকা পায় আৰু আন এজনে যদি তেওঁ অন্য জাতৰ হোৱাৰ বাবে মাত্ৰ পঁয়সত্তৰ টকা পায়, তেন্তে অন্যায় বা অবিচাৰ কৰা হ'ব। একেদৰে যদি এখন স্কুলৰ এজন পুৰুষ শিক্ষকে এগৰাকী মহিলা শিক্ষয়িত্ৰীতকৈ অধিক দৰমহা পায়, তেন্তে সেই পাৰ্থক্যটোও হ'ব অন্যায় আৰু ভুল।

### সমানুপাতিক ন্যায় (Proportionate Justice)

সম- ব্যৱবাৰেই কেৱল ন্যায়ৰ একমাত্ৰ নীতি নহয়। কেতিয়াবা এনেকুৱা ঘটনা ঘটে, য'ত আমি অনুভৱ কৰো যে সকলোৰে প্ৰতি সম-ব্যৱহাৰ কৰাটো অন্যায়হে। উদাহৰণস্বৰূপে যদি তোমালোকৰ বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে, একেখন বিদ্যালয়ৰ হোৱাৰ বাবে পৰীক্ষাত সমান নম্বৰ দিয়াৰ বাবে সিদ্ধান্ত লোৱা হয়, তেন্তে তোমাক আঘাত দিবনে? এতিয়া তোমালোকে চিন্তা কৰিবা

যে এজন ছাত্ৰক তেওঁৰ লিখাৰ মান আৰু তেওঁৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি নম্বৰ দিয়া উচিত আছিল। অন্য কথাত ক'ব পাৰি এনে ক্ষেত্ৰত সকলো লোকেক তেওঁলোকৰ যোগ্যতা আৰু মানদণ্ডৰ ওপৰত ভিত্তি কৰি ন্যায় বিতৰণ কৰিব লাগে বা ন্যায় কৰিব লাগে। তোমালোক এইক্ষেত্ৰত এক মত যে মানুহৰ কামৰ দক্ষতাৰ সমানুপাতিকভাৱে ন্যায় পাব লাগে। সকলো লোকে সমান কামৰ বাবে সমান মজুৰি পোৱা ধাৰণাটোৰ লগত সকলো লোক সন্মত হ'লেও কামটোৰ বাবে লগা দক্ষতা, কামটোৰ প্ৰয়োজনীয়তা আৰু কামটো কৰোঁতে নিহিত থকা বিপদৰ কথা চিন্তা কৰি মজুৰি দিয়াটো অধিক আইনসন্মত আৰু ন্যায়সন্মত। এই নীতিৰ ফালৰ পৰা চালে আমি দেখিম যে আমাৰ সমাজত বহুতো লোকে নিজৰ কাম অনুসৰি প্ৰাপ্য পোৱাৰ পৰা বঞ্চিত হোৱা দেখা যায়। উদাহৰণস্বৰূপে, খনিত কাম কৰাটো নিপুণ কাৰিকৰ এজনৰ কামটো অধিক বিপদজ্জনক যদিও, সমাজৰ বাবে উপকাৰত অহা এজন আৰক্ষী লোকৰ যাৰ কাম কেৱল আইন ৰক্ষা কৰা, তেওঁ খনিত কাম কৰাজনতকৈ অধিক মজুৰি পায়। সেয়ে ন্যায়ৰ কাৰণে এখন সমাজত সম-ব্যৱহাৰ নীতি কাৰ্যকৰী কৰিবৰ বাবে সমানুপাতিক নীতিৰ সৈতে ভাৰসাম্য ৰক্ষা কৰি চলিব লাগিব।

### বিশেষ প্ৰয়োজনৰ স্বীকৃতি (Recognisation of Special Needds) :

ন্যায়ৰ তৃতীয়টো নীতি হ'ল যিটোক আমি সমাজৰ বাবে গ্ৰাহ্য কৰোঁ, যেতিয়া ব্যক্তিৰ মাজত কৰ্তব্য আৰু পুৰষ্কাৰ ভাগ-বিতৰণ হয়, তেতিয়া ব্যক্তিৰ কিছুমান বিশেষ প্ৰয়োজনীতাক স্বীকৃতি প্ৰদান কৰা হয়। ইয়াক সামাজিক ন্যায় আগবঢ়াই নিয়াৰ এক আহিলা হিচাপে ধৰা হয়। ব্যক্তিসকলৰ সামাজিক মৰ্যদা আৰু অধিকাৰৰ ওপৰত ভিত্তি কৰি, সকলো লোককে সম মৰ্যদা দিয়াটো ন্যায়ে বিচাৰে। কিন্তু মানুহৰ মাজত ভেদাভেদ নৰখা আৰু তেওঁলোকৰ কাম অনুযায়ী পাৰিশ্ৰামিক আদায় দিয়াও ন্যায় সুনিশ্চিত কৰাৰ বাবে পৰ্যাপ্ত নহ'ব পাৰে ইয়াক জানিবৰ বাবে যে সমাজৰ আন একে শ্ৰেণীৰ লোকেও সমানে ন্যায় উপভোগ কৰিছেনে নাই নে সমগ্ৰ সমাজখনেই ন্যায় উপভোগ কৰি আছে। এই নীতিয়ে মানুহৰ বিশেষ কিছুমান প্ৰয়োজনীয়তাক মানি লয়। সেয়ে অদৰকাৰীভাৱে সম-



## ভাবি চাওঁ আহা

তলৰ পৰিস্থিতিসমূহ আলোচনা কৰি চোৱা কোনটো ন্যায়। আলোচনা কৰোঁতে এইক্ষেত্ৰত ন্যায়ৰ নীতিসমূহৰ ওপৰত ভিত্তি কৰি আলোচনা কৰিবা, যাতে তোমাৰ নিজৰ যুক্তিৰ পক্ষে সেইবোৰ ব্যৱহাৰ কৰিব পাৰা।

- ❒ হৰেন কলিতা নামৰ এজন দৃষ্টিশক্তি কম থকা ছাত্ৰই গণিতৰ পৰীক্ষাত তিনি ঘণ্টা ত্ৰিশ মিনিট সময় পায় আৰু আনসকলে মাত্ৰ তিনি ঘণ্টা পায়।
- ❒ গীতাই পেঙৰ সহায়ত খোজকাঢ়ে। শিক্ষকে তাইকো অংকৰ পৰীক্ষা শেষ কৰিবৰ বাবে তিনি ঘণ্টা ত্ৰিশ মিনিট সময় দিয়ে।
- ❒ শিক্ষকে দুৰ্বল ছাত্ৰসকলক মানসিক উন্নতিৰ বাবে পৰীক্ষাত অতিৰিক্ত নম্বৰ দিয়ে।
- ❒ এজন অধ্যাপকে যোগ্যতাৰ আধাৰত ভিত্তি কৰি ভিন্ন প্ৰশ্নকাকত ভিন্নজনক বিতৰণ কৰে।
- ❒ সংসদত ৩৩% আসন মহিলাৰ বাবে সংৰক্ষণ কৰিব লাগে বুলি প্ৰস্তাৱ উত্থাপিত হৈছে।


ব্যৱহাৰ নীতিৰ ওপৰত বিতৰ্ক কৰাৰ কোনো প্ৰয়োজন নাই, কিয়নো সকলোকে সমান ব্যৱহাৰ কৰাটোৱে কিছুমান বিশিষ্ট গুণ নথকা লোককো সমানে ব্যৱহাৰ কৰাটো নুবুজায়।

বিশেষ প্ৰয়োজনীয়তা অথবা অসমতাৰ ওপৰত ভিত্তি কৰি মানুহে কিছুক্ষেত্ৰত অসমতা আৰু কিছু ক্ষেত্ৰত বিশেষ সহায় কামনা কৰে। কিন্তু কি অসমতাৰ ওপৰত ভিত্তি কৰি বিশেষ সহায় আগবঢ়াব তাক নিৰ্ধাৰণ কৰা ইমান সহজ নহয়। কিছুমান দেশত শাৰীৰিক অক্ষমতা, বয়স বা ভাল শিক্ষা পোৱাত প্ৰভাৱ বা দুৰ্বল স্বাস্থ্য আদিক বিশেষ সহায় পোৱাৰ ক্ষেত্ৰ হিচাপে ধৰা হয়। এইটো মানি লোৱা হয় যে যদি সকলো দিশতে উচ্চ আৰু ভিন্ন মৰ্যাদাপ্ৰাপ্ত জীৱন যাপন কৰা লোকৰ সমানেই যদি

Daily Assam

# সামাজিক ন্যায়

সামাজিকভাৱে পিছপৰা আৰু প্ৰয়োজনীয় সুবিধাসমূহৰ পৰা বঞ্চিত লোকসকলক সমানেই মৰ্যাদা দিয়া হয়, তেতিয়া সেই সমাজখন সমতাপূৰ্ণ আৰু ন্যায়সংগত নহয়।




আমাৰ দেশত দেখা যায় যে শিক্ষা, স্বাস্থ্য আৰু এনে অন্য সুবিধা পোৱা আৰু নোপোৱাটো বহু পৰিমাণে জাতিগত ভেদভাৱৰ ওপৰত নিৰ্ভৰ কৰে। সেই কাৰণে আমাৰ সংবিধানে অনুসূচিত জাতি আৰু জনজাতি লোকৰ বাবে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ আৰু শিক্ষানুষ্ঠানত নামভৰ্তি কৰাৰ ক্ষেত্ৰত আৰক্ষণৰ ব্যৱস্থা কৰিছে।

আমাৰ ন্যায় সম্পৰ্কে থকা নীতিবোৰৰ আলোচনাই দেখুৱায় যে বহুক্ষেত্ৰত চৰকাৰে ন্যায়ৰ সম্পৰ্কত থকা তিনি ধৰণৰ নীতিক একত্ৰিত কৰাত অসুবিধাৰ সন্মুখীন হয়। যিবোৰক সমান লোকৰ বাবে সমান ব্যৱহাৰ, ভিন্ন প্ৰতিভা আৰু দক্ষতাক স্বীকৃতি আৰু প্ৰয়োজনীয়সকলৰ বাবে ন্যূনতম জীয়াই থকাৰ সুবিধা প্ৰদান কৰা ইত্যাদি হিচাপে আলোচনা কৰা হৈছে। সকলোকে সমান মৰ্যাদা দিয়াটোৱে কেতিয়াবা যোগ্যতাক অগ্ৰাধিকাৰ দিয়াৰ নীতিৰ বিপৰীতে কাম কৰে। দক্ষতাক আগস্থান দিয়াটোৱে এইটো বুজাব পাৰে যে সমাজৰ একে শ্ৰেণীৰ লোকে বিভিন্ন ক্ষেত্ৰত পিছপৰা আৰু তেওঁলোকে ন্যূনতম শিক্ষা আৰু আন সুবিধা পোৱাৰ পৰা বঞ্চিত। এখন দেশৰ বিভিন্ন গোটে ন্যায়ৰ ভিন্ন নীতিক সমৰ্থন কৰিব পাৰে, এইটো নিৰ্ভৰ কৰে, তেওঁলোকে কোনটো নীতিৰ পৰা লাভান্বিত হ'ব। তেতিয়া চৰকাৰৰ প্ৰধান কৰ্তব্য হ'ব এখন ন্যায়পূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰিবৰ বাবে ন্যায়ৰ বিভিন্ন নীতিসমূহৰ মাজত সামঞ্জস্য প্ৰতিষ্ঠা কৰা।

## ৪.২ ন্যায় বিতৰণ (Just Distribution)

এখন সমাজত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবৰ বাবে চৰকাৰে চাব লাগে যাতে আইন আৰু চৰকাৰী নীতি নিৰপেক্ষভাৱে উপলব্ধ হয়। কিন্তু ইমানেই যথেষ্ট নহয়, চৰকাৰৰ আৰু বহু কৰণীয় এইক্ষেত্ৰত আহি পৰে। সামাজিক ন্যায় বস্তু আৰু সেৱাসমূহ ন্যায়সংগতভাৱে বিতৰণ কৰাৰ লগতো জড়িত থাকে যদিওবা এইটো এখন সমাজত থকা বিভিন্ন জাতিৰ মাজত বা বিভিন্ন গোট অথবা ব্যক্তিৰ মাজতো নহওক কিয়। যদি এখন সমাজৰ লোকসকলৰ মাজত আৰ্থিক বা সামাজিক অসমতা থাকে, তেতিয়া চৰকাৰে এই অসমতা আঁতৰ কৰিবৰ বাবে চৰকাৰী সম্পদ তেওঁলোকৰ উন্নতিৰ বাবে উচিত বিতৰণ কৰিব লাগে। সেয়ে এখন সমাজৰ ন্যায় বুলিলে কেৱল আইন আৰু চৰকাৰী নীতিৰ ফালৰ পৰা সকলো লোকক সমান ব্যৱহাৰ কৰাটোকে নুবুজায়, ইয়াৰ বাবে প্ৰয়োজন হয় সমাজৰ সকলো লোকে যাতে জীয়াই থাকিবৰ বাবে ন্যূনতম সুবিধা লাভ কৰে। এইটো সকলো ব্যক্তিৰ বাবে প্ৰয়োজন যাতে তেওঁ নিজকে বিকশিত কৰি নিজ উদ্দেশ্য পূৰ্তিত সফল হয়। সেই কাৰণে আমাৰ সংবিধানে অস্পৃশ্যমূলক নীতি বৰ্জন কৰিছে আৰু নীচ জাতি বুলি কোৱা লোকসকলক চাকৰি, মন্দিৰ আদিত প্ৰৱেশ কৰাৰ সুবিধা প্ৰদান কৰাৰ লগতে প্ৰাথমিক প্ৰয়োজন যেনে— খোৱা পানী আদিত সম-অধিকাৰ প্ৰদান কৰিছে। ভূমি সংস্কাৰমূলক আইনৰ দ্বাৰা বিভিন্ন ৰাজ্য চৰকাৰে কিছুমান প্ৰয়োজনীয় সম্পদ, যেনে— খেতিৰ মাটি আদি সম-বিতৰণ কৰাত কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে।

সামাজিক ন্যায় স্থাপনৰ লগত জড়িত কিছুমান বিষয়ত থকা বিভিন্ন মতামতৰ কোনটো আৰু কেনেকৈ সম্পদ বিতৰণ, চাকৰি আৰু শিক্ষানুষ্ঠানত সমান আৰক্ষণৰ ব্যৱস্থা কৰা হ'ব, এনে ব্যৱস্থাই সমাজত কেতিয়াবা ভিন্নতাৰ জন্ম দিয়াৰ লগতে হিংসাত্মক ঘটনাৰো জন্ম দিয়া দেখা যায়। মানুহে বিশ্বাস কৰে যে তেওঁ আৰু তেওঁৰ পৰিয়ালৰ ভৱিষ্যৎ সুনিশ্চিত নহয়। আমাৰ দেশত চৰকাৰী চাকৰি আৰু শিক্ষানুষ্ঠানসমূহত আসন সংৰক্ষণৰ বাবে লোৱা সিদ্ধান্তৰ বাবে হোৱা বহু হিংসাত্মক ঘটনাৰ কথা মনত আছে। ৰাজনীতি বিজ্ঞানৰ শিক্ষাৰ্থী হিচাপে আমি ন্যায়ৰ এনে সিদ্ধান্ত বা নীতিসমূহৰ ওপৰত আমাৰ বুজি পোৱা ক্ষমতাৰ দ্বাৰা সুস্থভাৱে চিন্তা কৰাৰ সামৰ্থ্য আনিব লাগে। ন্যায়ৰ সূত্ৰৰ ফালৰ পৰা বঞ্চিতসকলৰ সহায়ৰ বাবে থকা যোজনাসমূহক ন্যায়সংগত বুলি কোৱা উচিত নে? ইয়াৰ পিছত আমি বিখ্যাত


দাৰ্শনিক জন ৰাউলছে দিয়া বিতৰণাত্মক ন্যায়ৰ বিষয়ে আলোচনা কৰিম। ৰাউলছে যুক্তি আগবঢ়াইছিল যে সমাজৰ ন্যূনতম সুবিধাপ্ৰাপ্ত লোকসকলৰ উন্নতিৰ বাবে সুবিধা প্ৰদান কৰাটো ন্যায়সংগত।

## ৪.৩ ৰাউলছৰ ন্যায় তত্ত্ব (John Rawls Theory of Justice)

যদি মানুহক সোধা যায় তোমালোকে কেনেকুৱা সমাজত বাস কৰিব বিচাৰ, তেতিয়া তেওঁলোকে নিশ্চয়কৈ এনে এখন সমাজত থকাৰ ইচ্ছা প্ৰকাশ কৰিব যিখন সমাজৰ পৰা সামাজিক নীতি আৰু সংগঠন সমূহৰ পৰা তেওঁলোক লাভান্বিত হ'ব। আমি কেতিয়াও ব্যক্তি স্বাৰ্থক আওকাণ কৰিব নোৱাৰো আৰু এইটো ডাঠি ক'ব নোৱাৰো যে প্ৰত্যেকেই সমাজৰ হিত চিন্তা কৰে। বিশেষকৈ তেওঁলোকে ভাবে যে তেওঁলোকৰ সিদ্ধান্তই ভৱিষ্যতে তেওঁলোকৰ প্ৰজন্মৰ জীৱন আৰু সুবিধাৰ ওপৰত প্ৰভাৱ পেলাব। আমি আশা কৰিব পাৰো যে প্ৰত্যেক মাক-দেউতাকে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ ভাল ভৱিষ্যৎ পোৱাটো কামনা কৰে। কিন্তু এনে সিদ্ধান্ত কোনো এখন সমাজৰ ন্যায় তত্ত্বৰ ভেটি হ'ব নোৱাৰে। সেয়ে আমি এটা ভাল আৰু ন্যায়সন্মত সিদ্ধান্তত কেনেদৰে উপনীত হ'ম?

ৰাউলছে এই প্ৰশ্নৰ উত্তৰ দিয়াৰ বাবে চেষ্টা কৰিছে। তেওঁৰ মতে, এনে এখন ন্যায়সন্মত আৰু যুক্তিসংগত সমাজত উপনীত হোৱাৰ একমাত্ৰ পথ হৈছে যেতিয়া সকলো লোকে নিজৰ মৰ্যাদাৰ কথা চিন্তা নকৰি ভাবে যে তেওঁলোকৰ সিদ্ধান্তই এখন সমাজ সংগঠিত হোৱাত সহায় কৰিব। আমি এইটো চিন্তা কৰিব নালাগে যে আমি কেনেকুৱা মৰ্যাদাপ্ৰাপ্ত এখন ঘৰত জন্মগ্ৰহণ কৰিছো। উচ্চজাতৰ বা নিম্ন জাতৰ, ধনী বা দুখীয়া সুবিধা আৰু অসুবিধা আদিৰ কথা চিন্তা কৰিব নালাগে। ৰাউলছে যুক্তি দাঙি ধৰিছে যে আমি ভৱিষ্যতৰ ভাল-বেয়াৰ কথা চিন্তা নকৰি যদি প্ৰত্যেকেই সমাজৰ হিতৰ বাবে চিন্তা কৰো, তেতিয়াহে আমি ভৱিষ্যতৰ এখন সমাজৰ সংগঠন আৰু নীতি-সিদ্ধান্তক সমৰ্থন কৰা হ'ব, যি সকলোৰে বাবে উপযোগী হ'ব।

ৰাউলছে ইয়াক 'অজ্ঞানতাৰ আৱৰণ'ত কৰা চিন্তা বুলি কৈছে। তেওঁ আশা কৰিছে যে অজ্ঞানতাৰ আৱৰণত থকা অৱস্থাত মানুহে নিজৰ সামাজিক মৰ্যাদা আৰু পদবীৰ কথা চিন্তা নকৰি নিজৰ হিতৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিব। কিয়নো কোনেও




নাভাৱে তেওঁৰ স্থিতি কি হ'ব আৰু তেওঁৰ বাবে কি লাভপ্ৰদ হ'ব, সেয়ে সকলোৱে ভৱিষ্যতৰ সমাজখন একেবাৰে বেয়া দিশটোৰ কথা চিন্তা কৰি কল্পনা কৰিব। নিজৰ বাবে চিন্তা কৰিব পৰা লোকসকলে জানিব যে যিসকলে জন্মগতভাৱে কিছুমান বিশেষ সুবিধা উপভোগ কৰি আহিছে, তেওঁলোকে কিছুমান অতিৰিক্ত বিশেষ সুবিধা লাভ কৰিব। কিন্তু যদি দুৰ্ভাগ্যজনকভাৱে তেওঁলোকে কম সুবিধা থকা এখন সমাজত জন্মগ্ৰহণ কৰে যিখন সমাজত তেওঁলোকে কম সুবিধাহে ভোগ কৰিব পাৰে— তেতিয়া কি হ'ব? সেয়ে নিজ স্বাৰ্থৰ বাবে চিন্তা কৰা লোকসকলে সংগঠনৰ এনে কিছুমান নিয়মৰ বিষয়ে চিন্তা কৰিব লাগে যি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে লাভজনক হ'ব। এই প্ৰয়াসত চাব লাগে যাতে উচ্চ আৰু নিম্ন শ্ৰেণীৰ সকলো লোকে শিক্ষা-স্বাস্থ্য আশ্ৰয় আদি প্ৰয়োজনীয় সুবিধাসমূহ লাভ কৰিব পাৰে।

অৱশ্যে ব্যক্তি স্বাৰ্থ পৰিহাৰ কৰি অজ্ঞানতাৰ আৱৰণত থকা ধাৰণাটো কল্পনা কৰা ইমান সহজ নহয়। কিন্তু তেতিয়া বহু লোকৰ বাবে আত্মত্যাগী হোৱা আৰু এজন অচিনাকি মানুহৰ দুখৰ সমভাগী হোৱাটোও সমানেই কঠিন। সেই কাৰণে আমি আত্ম-ত্যাগক সদায় সাহসী কাম হিচাপে গণ্য কৰি আহিছো আৰু এই কাৰণে আমি মানসিক দুৰ্বলতা আৰু সীমাবদ্ধতাসমূহৰ কথা চিন্তা কৰি আমি এনে কিছুমান নীতিৰ বিষয়ে চিন্তা কৰিব লাগে, য'ত কোনো আসাধাৰণ কাৰ্যৰ প্ৰয়োজনীয়তা আহি নপৰে আৰু অজ্ঞানতা আৱৰণৰ মহত্ব হ'ল ইয়াত মানুহক সামান্য ৰূপে বিবেকশীল মানুহে হিচাপে থকাটো আশা কৰিব পাৰি। তেওঁৰ পৰা নিজৰ হিত আৰু নিজৰ কামৰ বাবে চিন্তা কৰিব পৰাটো আশা কৰিব পাৰি। কিন্তু প্ৰাসংগিকভাৱে যেতিয়া

তেওঁ অজ্ঞানতাৰ আৱৰণত থাকে তেতিয়া তেওঁ আটাইতকৈ বেয়া দিশটোৰ কথা চিন্তা কৰি সিদ্ধান্ত ল'লে সি তেওঁৰ বাবে হিতকাৰী হ'ব। অজ্ঞানতাৰ কল্পিত আৱৰণত আবদ্ধ হোৱাটো আইন আৰু চৰকাৰী নীতি প্ৰণালীত উপস্থিত হোৱা প্ৰথম খোজ। ইয়াৰ পৰা এইটো ওলায় য়ে বিবেকশীল এজন মানুহে সমাজৰ যে কোনো এটা বিষয় কেৱল বেয়া দৃষ্টিকোণৰ পৰাই নাচায়, বৰঞ্চ তেওঁলোকে ৰচনা কৰা নীতিবোৰৰ পৰা সমাজৰ সকলো লোকৰ যাতে হিতসাধন হয় তাৰ চেষ্টা কৰিব আৰু দুয়োটা একেলগে থাকিব লাগে। কাৰণ ভৱিষ্যতৰ সমাজত তেওঁলোকৰ স্থিতি কি হ'ব কোনেও নাজানে। গতিকে তেওঁলোকে এনে কিছুমান নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিব, যাৰ দ্বাৰা সমাজৰ অতি বেয়া অৱস্থাত তেওঁলোকৰ জন্ম হ'লেও যাতে তেওঁলোকৰ কোনো অহিত নহয়। এইখিনিতে এইটো কথা মনত ৰাখিব লাগে যাতে তেওঁলোকৰ নীতিয়ে সুবিধাসম্পন্ন লোকসকলক দুৰ্বল নকৰে। কাৰণ তেওঁলোকে তেনে সমাজতো থকাৰ সম্ভাৱনা থাকি যায়। সেয়ে সকলোৰে ভাল হ'ব যেতিয়া কোনো নীতিৰ দ্বাৰা সমাজৰ সকলো শ্ৰেণীৰ লোকৰ হিত হ'ব, কোনো এক নিৰ্দিষ্ট শ্ৰেণীৰ নহয়। এনে কিছুমান নিৰপেক্ষতা বিবেকসম্পন্ন চিন্তাৰ ফল পৰোপকাৰ বা উদাৰতা নহয়।

সেই কাৰণে ৰাউলছে যুক্তি দাঙি ধৰিছে যে বিবেকশীল চিন্তাইহে সমাজৰ লাভ আৰু প্ৰাপ্য বিতৰণৰ ক্ষেত্ৰত নিৰপেক্ষ বিচাৰকৰ ভূমিকা পালন কৰিব, নৈতিকতাই নহয়। ইহঁতৰ এই উদাহৰণত এটা কথা স্পষ্ট হৈ পৰিছে যে নৈতিকতাৰ কোনো লক্ষ্য বা চৰ্ত নাই, যি আমাক আগতীয়াকৈ দিব পাৰে আৰু সেয়েহে কোনটো আমাৰ বাবে ভাল, সেইটো কৰিবৰ বাবে আমি স্বতন্ত্ৰ। এইটো বিশ্বাসেই ৰাউলছৰ ন্যায় সূত্ৰক নিৰপেক্ষ আৰু ন্যায়ৰ প্ৰশ্ন সমাধান কৰাত ইয়াক এক গুৰুত্বপূৰ্ণ আৰু সবল ৰাস্তা হিচাপে গণ্য কৰা হয়।

### ৪.৪ সামাজিক ন্যায়ৰ প্ৰতিপালন (Pursuing Social Justice)

যেতিয়া কোনো এখন সমাজত কিছুমান লোকে ধন সম্পত্তি লাভ কৰে আৰু ক্ষমতা প্ৰয়োগৰ সুবিধা ভোগ কৰে আৰু আন কিছুমান লোক সেই সুবিধাৰ পৰা বঞ্চিত হয়, তেতিয়া তেনে এখন সমাজক আমি ন্যায়ৰহিত সমাজৰ আখ্যা দিওঁ। ইয়াত আমি সমাজৰ ভিন্ন শ্ৰেণীৰ লোকে উপভোগ কৰা জীৱন প্ৰণালীৰ কথা কোৱা নাই। ন্যায়ে

**আমি কৰো আহা**

বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠানসমূহে আহাৰ, আয় আৰু পানীৰ লেখীয়া ন্যূনতম প্ৰয়োজনীয় স্তৰ গণনা কৰি সেইবোৰৰ ব্যৱস্থা কৰিছে। নিজৰ স্কুলৰ গ্ৰন্থাগাৰ আৰু ইণ্টাৰনেটৰ পৰা এনে গণনাসমূহ সংগ্ৰহ কৰা।

সৰ্বাত্মকভাৱে সকলো লোকে সমান অধিকাৰ ভোগ কৰাৰ লগতেই জড়িত নহয়। কিন্তু এখন সমাজত ন্যায় নাই বুলি তেতিয়া ক'ব পাৰি, য'ত ধনী আৰু দুখীয়া লোকসকলৰ মাজত এক আকাশ পাতাল পাৰ্থক্য থাকে আৰু তেওঁলোকে একেলগে ভিন্ন পৃথিৱীত জীৱন নিৰ্বাহ কৰা দেখা যায় আৰু যেতিয়া দুখীয়া লোকসকলে বহু কষ্ট কৰিলেও নিজৰ উন্নতিৰ বাবে কোনো সুবিধা নাপায়। অন্য কথাত ন্যায় বুলিলে ক'ব পাৰি এখন সমাজত যেতিয়া সকলো লোকে জীৱন ধাৰণ কৰিবৰ বাবে নূন্যতম সুবিধাখিনি পায় আৰু নিজৰ লক্ষ্য সাধন আৰু বক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় সকলো সুবিধা পোৱাৰ পৰা বঞ্চিত নহয়।

আমি কেনেদৰে সিদ্ধান্ত ল'ম যে মানুহক জীয়াই থাকিবৰ বাবে কি প্ৰাথমিক ন্যূনতম সুবিধাসমূহৰ প্ৰয়োজন? বিভিন্ন চৰকাৰী সংগঠন, আন্তঃৰাষ্ট্ৰীয় সংগঠন, বিশ্ব স্বাস্থ্য সংস্থা আদিয়ে মানুহৰ আৱশ্যকীয় ন্যূনতম প্ৰয়োজনীয়তাসমূহ গণনা কৰিবৰ বাবে বিভিন্ন উপায় উদ্ভাৱন কৰিছে। সাধাৰণতে এইক্ষেত্ৰত সকলোৱে সহমত পোষণ কৰে যে স্বাস্থ্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় পুষ্টিকৰক আহাৰ, থকা ঘৰ, খোৱাপানীৰ যোগান, শিক্ষা আৰু সামান্য বেতনেই এই প্ৰাথমিক অৱস্থাবোৰৰ গুৰুত্বপূৰ্ণ অংশ। সকলো লোকে যাতে প্ৰাথমিক প্ৰয়োজনখিনি পূৰণ কৰিব পাৰে, এইক্ষেত্ৰত গণতান্ত্ৰিক দেশ এখন দায়বদ্ধ। ইয়াত সকলো নাগৰিকৰ এনেবোৰ প্ৰয়োজন পূৰণ কৰাটো চৰকাৰৰ বাবে এক বোজা স্বৰূপ হ'ব, বিশেষকৈ অধিকসংখ্যক দুখীয়া লোক থকা দেশৰ বাবে, যেনে ভাৰতবৰ্ষ।

যদিও আমি সকলোৱে বঞ্চিত লোকসকলৰ উন্নতিৰ বাবে কিছুমান লক্ষ্য নিৰ্ধাৰণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰো, তথাপি এনে লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়োজনীয় ভাল পদ্ধতি কি হ'ব, তাক লৈ মতবিৰোধ থকা দেখা যায়। বৰ্তমান আমাৰ সমাজত আৰু বিশ্বৰ অন্য অংশ কিছুমানত বৰ্তমানে এক বিতৰ্ক চলি আছে যে মুক্ত প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাৰ দ্বাৰা, ধনী শ্ৰেণী লোকৰ ওপৰত কোনো আঘাত ননাকৈ পিছপৰা শ্ৰেণীৰ উন্নতি সাধন কৰাটো সম্ভৱ হ'বনে? অথবা চৰকাৰে সম্পদৰ পুনৰ বিতৰণ কৰি হ'লেও পিছপৰা শ্ৰেণীৰ উন্নতিৰ বাবে যাৱতীয় ব্যৱস্থা

গ্ৰহণ কৰাৰ দায়িত্ব ল'ব লাগে। আমাৰ দেশত, ভিন্ন ৰাজনৈতিক গোটসমূহে এই ভিন্ন পদ্ধতিসমূহৰ প্ৰাসংগিক দোষ-গুণসমূহ আলোচনা কৰি কোনটো পদ্ধতিয়ে এই দুখীয়া লোকসকলৰ যিসকল নগৰ বা গাঁৱত বাস কৰে তেওঁলোকৰ উন্নতিৰ বাবে অধিক কাৰ্যকৰী হ'ব তাক আলোচনা কৰা দেখা যায়। আমি চমুকৈ এই তৰ্কবাদৰ বিষয়ে আলোচনা কৰিম।

এক ন্যায়পুৰ্ণ সমাজ হ'ল সেইখন সমাজ, য'ত পৰস্পৰৰ প্ৰতি প্ৰবল শ্ৰদ্ধাৰ ভাব থাকে আৰু তাপমানৰ ভাব পৰিহাৰ কৰি এক সহানুভূতিশীল সমাজ গঢ়ি উঠে।

— *বি আৰ আম্বেদকাৰ*



## মুক্ত বজাৰ বনাম ৰাজ্যৰ হস্তক্ষেপ (Free Markets versus State Intervention)

মুক্ত বজাৰৰ সমৰ্থকসকলৰ মতে, যিমানদূৰ সম্ভৱ মানুহে মুক্তভাৱে সম্পত্তি আহৰণ কৰা তথা মূল্য, মজুৰি আৰু লাভৰ বাবে আনৰ লগত চুক্তি আৰু সমিলমিলতা বজাই ৰখাত স্বতন্ত্ৰ হ'ব লাগে। তেওঁলোকে লাভৰ অধিক মাত্ৰাত উপনীত হ'বৰ বাবে এজনে আন জনৰ লগত প্ৰতিদ্বন্দ্বিতা কৰাৰো অধিকাৰ থাকিব লাগে। এয়া হ'ল মুক্ত বজাৰ ব্যৱস্থাৰ এক সৰল চিত্ৰণ। মুক্ত বজাৰৰ সমৰ্থকসকলৰ মতে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে আৰু সম্পদৰ উচিত বিতৰণৰ বাবে বজাৰ ব্যৱস্থাৰ পৰা ৰাজ্যিক হস্তক্ষেপ নাইকিয়া কৰিব লাগে। ইয়াৰ ফলত দক্ষতাপূৰ্ণ আৰু প্ৰতিভাশালী লোকসকলৰ অধিক লাভ আৰু অদক্ষ লোকৰ কম লাভ হ'ব। তেওঁলোকৰ মতে বজাৰ ব্যৱস্থাৰ যিয়েই বিতৰণ নহওক কিয়, ই ন্যায়সন্মত হ'ব লাগে।

সেই নীতিয়ে মুক্ত বজাৰৰ সকলো সমৰ্থকৰ ক্ষেত্ৰতেই নহয়, বৰ্তমান নিয়ম মতে নচলা বজাৰকো সম্পূৰ্ণভাৱে সমৰ্থন কৰে। তেওঁলোকে কিছুমান ক্ষেত্ৰত ৰাজ্যৰ

হস্তক্ষেপৰ পোষকতা কৰে। উদাহৰণ হিচাপে প্ৰতিজন লোকে যাতে জীয়াই থাকিবৰ বাবে ন্যূনতম সুবিধা লাভ কৰিব পাৰে, তেনে বিষয়ত তেওঁলোকে ৰাজ্যিক হস্তক্ষেপৰ পোষকতা কৰে, যাতে সকলো লোকে প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে সমৰ্থ হয়। কিন্তু তেওঁলোকে মত পোষণ কৰে যে জীয়াই থাকিবৰ বাবে লগা প্ৰয়োজনীয় সুবিধাসমূহ যেনে স্বাস্থ্য, শিক্ষা, খোৱাপানী আদি বজাৰ ব্যৱস্থাৰ ওপৰত অৰ্পণ কৰিলে তাৰ পৰা জনসাধাৰণ লাভদায়ক হোৱাৰ সম্ভাৱনা আধিক। অন্য কথাত ক'ব পাৰি ব্যক্তিগত প্ৰতিষ্ঠানসমূহক এনে সেৱাসমূহ উপলব্ধ কৰিবৰ বাবে অধিকাৰ দিব লাগে আৰু জনসাধাৰণেও যাতে এনে সেৱাসমূহ ক্ৰয় কৰিব পাৰে তাৰ বাবে ৰাজ্যই নীতি প্ৰণয়ন কৰিব লাগে। যিসকল বয়সীয়া আৰু অসুখী লোক আৰু যিসকলে এনে প্ৰতিযোগিতাত নামিব নোৱাৰে তেওঁলোকক ৰাজ্যই বিশেষ সহায় আগবঢ়োৱাটো প্ৰয়োজনীয়। ৰাজ্যবোৰৰ ভূমিকা কেৱল ব্যক্তিসকলৰ মাজত থকা প্ৰতিযোগিতাবোৰ যাতে জোৰ-জবৰদস্তি আৰু অন্য বাধ্যবাধকতাৰ পৰা মুক্ত হয় সেইটো নিশ্চিত কৰাৰ বাবেহে আইন প্ৰণয়ন আৰু সাব্যস্ত কৰা দেখা যায়। মুক্ত বজাৰৰ ভিত্তি যাতে এখন ন্যায়পৰায়ণ সমাজ হয় সেইটো তেওঁলোকে চেষ্টা কৰে। মুক্ত বজাৰে মানুহৰ ধৰ্ম বা জাতিৰে সম্পৰ্ক বিচাৰ নকৰে, এইটোও নাচায় যে তুমি এজন পুৰুষ নে এগৰাকী নাৰী। ইয়াৰ প্ৰকৃতি তোমাৰ দক্ষতা আৰু পটুতাৰ লগতহে জড়িত। আন কোনো বিষয়েই হ'ব নোৱাৰে, যদি তোমাৰ গুণ আছে।

বজাৰ বিতৰণ ব্যৱস্থাৰ সপক্ষে থকা আন এটা যুক্তি হ'ল ই আমাক অধিক পছন্দৰ সুবিধা দাঙি ধৰে। ইয়াত কোনো সন্দহ নাই যে বজাৰ ব্যৱস্থাই ক্ৰেতা হিচাপে আমাৰ আগত অধিক পছন্দ দাঙি ধৰে। আমি পাৰিশ্ৰমিক দিয়াৰ বিনিময়ত খাবৰ বাবে পছন্দৰ চাউল আৰু পঢ়িবৰ বাবে বিদ্যালয়ৰ সুবিধা লাভ কৰিব পাৰো। নিত্য প্ৰয়োজনীয় সামগ্ৰী সমূহৰ ক্ষেত্ৰত বস্তুৰ দৰ গুণাগুণ আৰু উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি সকলো লোকে যেন জানিব পৰা হ'ব লাগে। যদি ব্যক্তিগত প্ৰতিষ্ঠানসমূহে এনে সেৱাসমূহত লাভ থকা নেদেখে, তেনে অৱস্থাত বা মান নথকা বস্তু নিদিব পাৰে আৰু তাৰ পৰা তেওঁলোক আঁতৰি যাব পাৰে। সেই কাৰণে দেখা যায় যে ভিতৰুৱা অঞ্চলসমূহত ব্যক্তিগত বিদ্যালয়ৰ সংখ্যা কম আৰু গুণ নিম্নমানৰ। অন্য ক্ষেত্ৰ যেনে স্বাস্থ্য, আৱাস আদিতো এনে হোৱা দেখা যায়। এনে বিষয়ত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগে।

মুক্ত বজাৰ আৰু ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ সপক্ষে থকা আন এটা যুক্তি হ'ল যে চৰকাৰী প্ৰতিষ্ঠানসমূহৰ সেৱাতকৈ এই অনুষ্ঠানসমূহৰ সেৱা উন্নত মানৰ। কিন্তু

তেওঁলোকৰ পাৰিশ্ৰমিক অধিক হোৱাৰ বাবে দুখীয়া লোকসকলে তেওঁলোকৰ সেৱা উপভোগ কৰাৰ পৰা বঞ্চিত হয়। ব্যক্তিগত বাণিজ্য সদায় লাভৰ ফালে ঢাল খায়, গতিকে ই সদায় শক্তিশালীজনৰ ইচ্ছাহে পূৰণ কৰাত সমৰ্থ। ইয়াৰ ফল তুলনামূলকভাৱে দুখীয়া লোকসকলক ওচৰ চপাই নিবৰ বাবে চৰকাৰে যত্ন কৰিব লাগে।

মুক্ত বজাৰ আৰু ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত এটা যুক্তি প্ৰায়ে শুনা যায় যে চৰকাৰী প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা সুবিধাসমূহতকৈ তেওঁলোকে সেৱাসমূহত আগবঢ়োৱা সুবিধাসমূহ বেছি ভাল। ধনীসকলৰ বাহিৰেও দুখীয়াসকলৰ বাবেও এনে মূল্যৰ সেৱাসমূহ আগবঢ়োৱা হৈছে। যিটো ব্যৱসায়ত বেছি লাভ থাকে ব্যক্তিগত ব্যৱসায়বোৰে সেইটোহে কৰিব বিচাৰে, সেয়েহে মুক্ত বজাৰ ব্যৱস্থাই শক্তিশালী, সম্পদশালী আৰু ক্ষমতাশালীৰ স্বাৰ্থৰ হকে কাম কৰিব বিচাৰে। যদিও ইয়াৰ ফলাফল নুই কৰা হ'ব পাৰে। বৰঞ্চ দুৰ্বলতাৰ বাবে কিছুমান সুবিধাহে আগবঢ়োৱা হৈছে। তৰ্কৰ দুয়োফালে যুক্তি আগবঢ়াব পাৰি, কিন্তু মুক্ত বজাৰে ইতিমধ্যে বিশেষ অধিকাৰ পাই থকাসকলৰ পক্ষতহে কাম কৰাৰ হেঁপাহ প্ৰদৰ্শন কৰে। সেই কাৰণে সামাজিক ন্যায় বৰ্তাই ৰাখিবৰ বাবে চৰকাৰে যাতে যাৱতীয় সুবিধাসমূহ সকলো শ্ৰেণীৰ লোকে উপভোগ কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগে।

এখন গণতান্ত্ৰিক দেশত বা সমাজত বিতৰণ আৰু ন্যায় সদায় মতভেদৰ মাজত থাকে, যিটো ইয়াৰ এক অপৰিহাৰ্য অংগ। কিয়নো ই আমাক, আমাৰ বাবে কি ভাল হ'ব তাক বিবেকসন্মতভাৱে বিচাৰ কৰিবৰ বাবে ধাৰ্য কৰে। বাদ, তৰ্ক-বিতৰ্কৰ মাজেদি এক ফলদায়ক পথ উলিওৱাটোৱেই হ'ল ৰাজনীতি। আমাৰ দেশত অনেক ধৰণৰ আৰ্থিক আৰু সামাজিক অসমতা থকা দেখা যায়, আৰু যিবোৰ কম কৰিবৰবাবে আমাৰ এতিয়াও বহু কৰিবলগীয়া বাকী আছে। ন্যায়ৰ বিভিন্ন নীতিবোৰৰ অধ্যয়নে ইয়াত জড়িত থকা বিষয়বোৰ আলোচনা কৰাত আমাক সহায় কৰে আৰু ন্যায় বিচাৰৰ এটা উত্তম পথৰ বন্দৱস্ত কৰি দিয়ে।

> ন্যায়ত এনে কিছু অন্তৰ্নিহিত হৈ আছে, যিবোৰে কেৱল কৰাটোৱেই শুদ্ধ আৰু নকৰাটো ভুল, যাৰ দ্বাৰা ব্যক্তিবিশেষে তেওঁৰ নৈতিক অধিকাৰ হিচাপে আমাৰ ওপৰত দাবী কৰিব পাৰে।
>
> — *জে এছ মিল*

# অনুশীলনী

1. প্ৰত্যেককে নিজৰ প্ৰাপ্য আদায় দিয়াৰ অৰ্থ কি? সময়ৰ লগে লগে প্ৰত্যেকৰে নিজ প্ৰাপ্য আদায় দিয়াৰ অৰ্থ কেনেদৰে সলনি হৈছে।

2. এই অধ্যায়ত উল্লেখ কৰা ন্যায়ৰ তিনিটা নীতি চমুকৈ আলোচনা কৰা। প্ৰত্যেকটো উদাহৰণৰ সৈতে ব্যাখ্যা কৰা।

3. মানুহৰ বিশেষ প্ৰয়োজন নীতিৰ সৈতে সকলোকে সম-ব্যৱহাৰ কৰা নীতিৰ বিবাদ থকা বুলি ভাবানে?

4. ন্যায্য আৰু ন্যায়সংগত বিতৰণ প্ৰক্ৰিয়াটো যুক্তিসংগত কৰিবৰ বাবে ৰাউলছে কেনেকৈ 'অজ্ঞানতাৰ আৱৰণ' নীতি ব্যৱহাৰ কৰিছে।

5. এজন সুস্থ আৰু উৎপাদনশীল মানুহ হিচাপে জীয়াই থাকিবৰ বাবে প্ৰাথমিক ন্যূনতম প্ৰয়োজনসমূহ কি কি? এই ন্যূনতম সুবিধাসমূহ সকলোৰে বাবে নিশ্চিতকৰণৰ ক্ষেত্ৰত চৰকাৰৰ কি দায়বদ্ধতা আছে?

6. সকলো নাগৰিকক জীৱন ধাৰণৰ ন্যূনতম সুবিধা সমূহ প্ৰদান কৰিবৰ বাবে তলৰ কোনবোৰ যুক্তি চৰকাৰে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত নিৰ্দেশ দিয়া উচিত?
   (a) দুখীয়া আৰু প্ৰয়োজনীয় লোকসকলক বিনামূলীয়া সেৱা প্ৰদান কৰাটো ধৰ্মীয় কাম হিচাপে ন্যায়সংগত বুলি গণ্য কৰা।
   (b) সকলো নাগৰিকক জীৱন ধাৰণৰ ন্যূনতম সুবিধা প্ৰদান কৰাটো সকলো লোককে সমান সুবিধা প্ৰদান কৰাৰ এক উপায়?
   (c) কিছুমান মানুহ জন্মগতভাৱে এলেহুৱা আৰু আমি তেওঁলোকৰ প্ৰতি দয়ালু হ'ব লাগে।
   (d) সকলো লোকৰ বাবে প্ৰাথমিক সুবিধাসমূহ আৰু ন্যূনতম জীৱন ধাৰণৰ ন্যূনমান নিশ্চিত কৰাটোৱে মানৱতাবোধ আৰু মানৱ অধিকাৰক স্বীকৃতি প্ৰদান কৰা বুজায়।